**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2024 **Time :** 0900 Hrs.

***Assamese Morning Bulletin***
***Headlines***
000000

১। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় অহা ১৯ অক্টোবৰত আৰম্ভ কৰাৰ লগতে আন কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তত ৰাজ্যিক কেবিনেটৰ অনুমোদন।

২। আফস্পাৰ অধীনত ৰাজ্য চৰকাৰৰ তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাক পৰৱৰ্তী ছমাহলৈ অশান্ত অঞ্চল হিচাপে ঘোষণা।

৩। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ। ৰাজ্যজুৰি উখল-মাখল পৰিৱেশ।

৪। ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ লগত সংগতি ৰাখি আজি বিশ্ব ডাক দিৱস উদযাপন।

*আৰু*

৫। ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ খেল।

000000

ৰাজ্যিক কেবিনেটে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় অহা ১৯ অক্টোবৰৰ পৰা আৰম্ভ কৰাত অনুমোদন জনাইছে। এই পৰ্যায়ৰ বাবে অহা ৩১ ডিচেম্বৰলৈকে আবেদন গ্ৰহণ কৰা হ'ব। বসুন্ধৰাৰ দ্বিতীয় পৰ্যায়ত নিষ্পত্তি নোহোৱা আবেদনৰ ক্ষেত্ৰত অনুসূচিত জাতি, জনজাতি, চাহ জনগোষ্ঠী, প্ৰাক্তন চাহ জনগোষ্ঠী, আদিবাসী আৰু গোৰ্খা জনগোষ্ঠীৰ বাবে তিনিটা প্ৰজন্মৰ প্ৰমাণ-পত্ৰৰ ক্ষেত্ৰত ৰেহাই দিয়া হ'ব। আনহাতে, ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগেয়ে শৰণাৰ্থী হিচাপে ৰাজ্যত প্ৰৱেশ কৰা লোকসকলেও এই ৰেহাই লাভ কৰিব। ইপিনে, এই আঁচনিৰ অধীনত ভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰ বাবে পূৰ্বে এবাৰহে অনুমতি দিয়াৰ ব্যৱস্থাৰ ঠাইত আগলৈ এনে কোনো বাধ্যবাধকতা নাথাকিব।

ইপিনে, পঞ্চায়ত আৰু উন্নয়ন খণ্ডৰ সীমা পুনৰনিৰ্ধাৰণতো ৰাজ্যিক কেবিনেটে অনুমোদন দিছে। বিধানসভা আৰু লোকসভাৰ সমষ্টি পুনৰনিৰ্ধাৰণৰ পৰিপ্ৰেক্ষিতত বিধানসভা সমষ্টি অনুসৰি পঞ্চায়ত আৰু উন্নয়ন খণ্ডবোৰৰো সীমা নিৰ্দিষ্ট কৰাৰ বাবে চৰকাৰে এই সীমা পুনৰনিৰ্ধাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সীমা পুনৰনিৰ্ধাৰণৰ পাছত পূৰ্বৰ দুহেজাৰ ১৯৭খন গাঁও পঞ্চায়তৰ তিনিখন বিলোপ হৈ গাঁও পঞ্চায়তৰ সংখ্যা দুহেজাৰ ১৯৪খন হ'ব। একেদৰে চাৰিখন আঞ্চলিক পঞ্চায়তৰ বিলোপ ঘটি পুনৰনিৰ্ধাৰিত আঞ্চলিক পঞ্চায়ত ১৮১খন হ'ব। ইপিনে, জিলা পৰিষদৰ সমষ্টিৰ সংখ্যা ২৩টা হ্ৰাস পাই পুনৰনিৰ্ধাৰণৰ পাছত ৩৯৭টা হৈছেগৈ। পূৰ্বে জিলা পৰিষদৰ সমষ্টিৰ সংখ্যা ৪২০ আছিল। আনহাতে উন্নযন খণ্ডৰ সংখ্যা  পূৰ্বৰ দৰে ১৮১টাই থাকিব। এই সন্দৰ্ভত পৰিবহন মন্ত্ৰী কেশৱ মহন্তই কয় যে -

-ভইচ কাষ্ট-

000000

ৰাজ্য চৰকাৰে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ অধীনত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাক অশান্ত অঞ্চল হিচাপে গণ্য কৰাৰ ম্যাদ আৰু ছমাহৰ বাবে বৃদ্ধি কৰা হ'ব বুলি প্ৰকাশ কৰিছে। এই আইনখন  যোৱা ১ এপ্ৰিলৰ পৰা ছমাহৰ বাবে জিলাকেইখনত বলবৎ কৰা হৈছিল। যোৱা তিনিটা বছৰত ৰাজ্যৰ সামগ্ৰিক পৰিস্থিতি উন্নতি ঘটিছে যদিও শেহতীয়াকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা অশান্তি আৰু আভ্যন্তৰীণ আইন-শৃংখলাজনিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখি অসমতো ইয়াৰ প্ৰভাৱ পৰাৰ আশংকাত ৰাজ্য চৰকাৰে আইনখনৰ ম্যাদ বৃদ্ধি কৰাৰ পৰামৰ্শ আগবঢ়াইছে। এই সংক্ৰান্তত ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ওচৰত এটা প্ৰস্তাৱ দাখিল কৰিছিল। গৃহ মন্ত্ৰালয়ে এই প্ৰস্তাৱৰ সন্দৰ্ভত অঞ্চলটোত পৰৱৰ্ত্তী ছমাহৰ বাবে স্থিতাৱস্থা বাহাল ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালে এই চাৰিখন জিলা পুনৰ ছটা মাহৰ বাবে অশান্ত অঞ্চল হিচাপে ঘোষণা কৰি আইনখন বাহাল ৰখাৰ সিদ্ধান্ত ঘোষণা কৰিছে।

0000000

শাৰদীয় দুৰ্গা পূজা উপলক্ষে সমগ্ৰ ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ দোলাত আগমন ঘটিছে আৰু ঘোঁৰাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যত বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ পূজাৰ উৎসাহ কিছু স্তিমিত হোৱা দেখা গৈছিল যদিও বতৰ ফৰকাল হোৱাৰ লগে লগে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত শাৰদীয় দুৰ্গোৎসৱৰ এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকেই দেৱীৰ আশিসপুষ্ট হৈ নৱ নৱ চিন্তা-চেতনাৰে উজলি উঠাৰ কামনা কৰে।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ মণ্ডপসমূহত স্বনামধন্য শিল্পীসকলৰ ছবি অংকন কৰি সজাই-পৰাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে। ইপিনে, **গোলাঘাট** আৰু **লখিমপুৰ** জিলাতো পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। **কৰিমগঞ্জ** জিলাৰ ১১৭ খন দুৰ্গাপূজা সমিতিৰ বিষয়ববীয়াক আৰু **ধুবুৰী** জিলাত ৪০৭ খন পূজা সমিতিক ৰাজ্য চৰকাৰে আৰ্থিক অনুদান বিতৰণ কৰে। **গোৱালপাৰা জিলা**তো সাৰ্বজনীন দুৰ্গা পূজা মণ্ডপসমূহকে ধৰি বিভিন্ন পূজাথলীত শাৰদীয় পূজাৰ প্ৰস্তুতি সম্পন্ন হৈছে।

ইফালে, **বৰপেটা** জিলাৰ শতাধিক পূজা মণ্ডপত ষষ্ঠী উপলক্ষে  আজি পুৱাৰেপৰা ভক্ত-দৰ্শনাৰ্থীৰ সমাগম হৈছে। কালি জিলাখনৰ ভৱানীপুৰ-সৰভোগ সমষ্টিৰ ৪৮ খন পূজা সমিতিক ৰাজ্য চৰকাৰৰ আৰ্থিক অনুদান প্ৰদান কৰা হয়। এই উপলক্ষে বৰপেটা ৰোড সাহিত্য সভা ভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে চেকসমূহ বিতৰণ কৰে। একেদৰে জিলা আয়ুক্তৰ কাৰ্যালয়ত বৰপেটা, মন্দিয়া, চেঙা আৰু পাকা বেতবাৰী সমষ্টিৰ পূজা সমিতিসমূহৰ মাজত জিলা আয়ুক্তগৰাকীয়ে চেক বিতৰণ কৰে।

oooooooo

শাৰদীয় দুৰ্গোৎসৱৰ সময়ত পথ দুৰ্ঘটনা ৰোধৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ পৰিবহণ বিভাগৰ উদ্যোগত ৭ অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ পথ সুৰক্ষা সপ্তাহ পালন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি কালি যোৰহাট তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰত জিলাখনৰ সকলো দুৰ্গা পূজা উদযাপন সমিতিৰ বিষয়ববীয়াৰ সৈতে জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী উপস্থিত থকা সভাখনত যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে পথ সুৰক্ষাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ পূজা সমিতিৰ বিষয়ববীয়াসকলক আহ্বান জনায়।

ইফালে, ডিব্ৰুগড় জিলাতো পূজাৰ সময়ছোৱাত দুৰ্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ সভাপতিত্বত কালি পথ সুৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। আয়ুক্তগৰাকীয়ে উৎসৱৰ দিনকেইটাত যিকোনোধৰণৰ দুৰ্ঘটনা হ্ৰাস কৰিবলৈ আৰক্ষী তথা যান-বাহন শাখাক সক্ষম হৈ থকাৰ নিৰ্দেশ দিয়ে। তদুপৰি হেলমেট পৰিধান নকৰা আৰু সুৰাপান কৰি বাহন চলোৱা চালকৰ বিৰুদ্ধে কঠোৰ হ'বলৈও পৰিবহণ বিভাগক নিৰ্দেশ দিয়ে।

ooooooo

অসম ডাক পৰিমণ্ডলে ডাক সেৱা, জন সেৱা শীৰ্ষক বিষয়বস্তুৰে ৰাষ্ট্ৰীয় ডাক সপ্তাহ পালন কৰিছে। অহা ১১ অক্টোবৰলৈ চলিবলগীয়া ডাক সপ্তাহ সন্দৰ্ভত কালি অসম পৰিমণ্ডলৰ ডাক সেৱাৰ সঞ্চালক অভিষেক জৈনে গুৱাহাটীত এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে। তেওঁ কয় যে ডাক সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুসৰি আজি বিশ্ব ডাক দিৱস, কাইলৈ অন্ত্যোদয়া দিৱস আৰু পৰহিলৈ বিত্ত সৱলীকৰণ দিৱস উদযাপন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় স্তৰত ডাক আদান-প্ৰদান কৰা ব্যৱস্থাক পৰিচালনা কৰা সাৰ্বজনীন ডাক সংঘৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ অন্যতম দিশ বুলি উল্লেখ কৰি সঞ্চালকগৰাকীয়ে অসমৰ জনসাধাৰণক ডাক ঘৰৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ডাক বিভাগে চিঠি-পত্ৰ, সামগ্ৰী আদান-প্ৰদানৰ উপৰি একাউণ্ট মুকলি কৰা, বীমা, আধাৰ কাৰ্ড, পাৰপত্ৰ আদিৰ সুবিধা প্ৰদান কৰিছে।

ooooooo

গুৱাহাটী মহানগৰীক পোহৰাই তুলি নাগৰিকৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰথম পৰ্যায়ত আজি চচলৰ নন্দী মিকিৰ প্ৰাথমিক বিদ্যালয়ত সন্ধিয়া স্মাৰ্ট এল ই ডি ষ্ট্ৰীট লাইট আৰু কেন্দ্ৰীয় নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ ব্যৱস্থাৰ উদ্বোধন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, গৃহ নিৰ্মাণ আৰু নগৰ

পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া আদি উপস্থিত থাকিব। ৮৩ কোটি ৯৬ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা এই প্ৰকল্পৰ অধীনত এতিয়ালৈ ১০ হাজাৰ বিজুলীবাতি স্থাপনৰ জৰিয়তে ৯৪৪ টা পথ উজ্বলাই তোলা হৈছে।

০০০০০০০

ভাৰত আজি ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ **এ**ৰ নিজৰ তৃতীয়খন খেলত শ্ৰীলংকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। একেটা স্থানত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত স্কটলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াই কালি শ্বাৰজাহত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডক ৬০ ৰাণত পৰাস্ত কৰে।

০০০০০০০০

চলিত বছৰৰ পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা কৃত্ৰিম বুদ্ধিমত্তাৰ জনকস্বৰূপ জিঅ'ফ্ৰে ই হিণ্টন আৰু দন জে হপফিল্ডলৈ আগবঢ়োৱা হৈছে। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত অসামান্য অৱদান শিৰোনামেৰে এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** আৰু **দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যত নাথাকিব একচনীয়া পট্টাৰ মাটি। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১৯ অক্টোবৰত আৰম্ভ হ'ব বসুন্ধৰা ৩.০। বসুন্ধৰা ২.০ত আবেদন খাৰিজ হোৱা লোকে পুনৰ কৰিব পাৰিব আবেদন। **দৈনিক জনমভূমি** আৰু **আমাৰ অসম** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

হাৰিয়ানাত হেট্ৰিক বিজেপিৰ, ১০ বছৰৰ মূৰত জম্মু-কাশ্মীৰত জয়ী ইণ্ডিয়া, ধুলিস্যাৎ হ'ল আম আদমী পাৰ্টী - চৌতালাৰ জে জে পি। নিৰ্বাচনী সমীক্ষাৰ বিপৰীত ফলাফল শীৰ্ষক শিৰোনামেৰে এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক হাৰিয়ানাত বিজেপিৰ অপ্ৰত্যাশিত বিজয় শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অন্ত পৰিল ভক্তৰ অপেক্ষা, আৰম্ভ শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ। আজি ষষ্ঠীৰ বেদীত প্ৰাণ পাব দুৰ্গতি নাশিনীয়ে শীৰ্ষক শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আজি ষষ্ঠিৰ বেদীত অধিষ্ঠিত হ'ব দেৱী দুৰ্গা শিৰোনামেৰে একেটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এয়া আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**